অসম

“দম আছে যদি উচ্চতম ন্যায়ালয়ত গৈ বিৰোধ কৰক” — প্ৰতিবাদকাৰীক মুখ্যমন্ত্ৰীৰ প্ৰত্যাহ্বান

জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত মুখ্যমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত প্ৰতিবাদ কৰাক লৈ আপত্তি জনাইছে হিমন্ত বিশ্ব শৰ্মাই।

প্ৰকাশ: ৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৬



(NewzNow)

গুৱাহাটী, ৬ নৱেম্বৰঃ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত মুখ্যমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰাক লৈ আপত্তি প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বৃহস্পতিবাৰে তেওঁ আন্দোলনকাৰীসকলক বাসভৱনৰ সন্মুখত প্ৰতিবাদ কৰাৰ পৰিৱৰ্তে উচ্চতম ন্যায়ালয়ত গৈ জামিনৰ বিৰোধিতা কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয়, “দম আছে যদি উচ্চতম ন্যায়ালয়ত গৈ বিৰোধ কৰক।” তেওঁৰ মতে, জুবিনৰ ন্যায়ৰ দাবীত প্ৰতিবাদ কৰিব বিচাৰিলে আন্দোলনকাৰীসকলে আইনী পথ গ্ৰহণ কৰা উচিত।

বাসভৱনৰ সন্মুখত প্ৰতিবাদ হোৱাক লৈ নিজৰ পৰিয়ালৰ সুৰক্ষাৰ বিষয়টোও উত্থাপন কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁৰ মতে, এনে প্ৰতিবাদে পত্নী আৰু সন্তানৰ সুৰক্ষাক লৈ উদ্বেগ সৃষ্টি কৰিব পাৰে। তেওঁ দিনটোৰ বেছিভাগ সময় ঘৰত নাথাকে বুলিও উল্লেখ কৰি কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ আশংকা প্ৰকাশ কৰে।

জুবিন গাৰ্গৰ নামত অসমত অশান্তি সৃষ্টি কৰিব নালাগে বুলিও মন্তব্য কৰে শৰ্মাই। তেওঁৰ মতে, জুবিনে নিজেই

অশান্তি পছন্দ কৰা নাছিল। কেৱল তেওঁৰ বাসভৱনেই নহয়, আন মন্ত্রীৰ বাসভৱনৰ সন্মুখতো প্রতিবাদ হোৱাৰ কথা উল্লেখ কৰি এনে প্রতিবাদৰ পদ্ধতিক লৈ প্রশ্ন তোলে মুখ্যমন্ত্রীয়ে।

ইফালে, অখিল গগৈয়ে উচ্চতম ন্যায়ালয়ত জামিন লাভ কৰিলে মুখ্যমন্ত্রীৰ বাসভৱন আৰু উচ্চতম ন্যায়ালয়ৰ সন্মুখত প্রতিবাদ কৰাৰ কথা কোৱা বুলি অভিযোগ কৰে শর্মাই। এনে মন্তব্যৰ বাবে আদালত অৱমাননাৰ আধাৰত ব্যৱস্থা গ্রহণ কৰিবলৈ তেওঁ মুখ্য ন্যায়াধীশক আহ্বান জনাব বুলিও কয়।

উল্লেখ্য যে জুবিন গার্গৰ মৃত্যুৰ ন্যায়ৰ দাবীত জুবিন ক্ষেত্র, চচল আৰু মন্ত্রী আৱাসৰ সন্মুখত ইতিমধ্যে কেইবাটাও প্রতিবাদী কার্যসূচী অনুষ্ঠিত হৈছে। প্রতিবাদকাৰীসকলে ৰাজপথত প্রতিবাদৰ জৰিয়তে নিজৰ দাবী উত্থাপন কৰি আহিছে।

আনহাতে, মুখ্যমন্ত্রীয়ে এই দাবীসমূহ আইনী প্রক্রিয়াৰ মাজেৰে আগবঢ়াই নিয়াৰ পোষকতা কৰিছে। আন্দোলনকাৰীসকলে প্রতিবাদৰ পদ্ধতি সলনি কৰে নে উচ্চতম ন্যায়ালয়ত নতুন পদক্ষেপ গ্রহণ কৰে, সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/912/cm-asks-zubeen-justice-protesters-approach-supreme-court